# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-04-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

## Headlines

১।  ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ ভোটগ্ৰহণৰ সামৰণি। প্ৰায় ৬২ শতাংশ ভোটদান।
২।  অসমত অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন। ১১ মে'ত ভোটগণনা।
৩।  লোকসভাত ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫-ৰ সপক্ষে আৰু বিপক্ষে শাসক-বিৰোধীৰ বক্তব্য।
৪।  যোৰহাটত প্ৰায় ১১১ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও ৰাজহুৱা প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ।

**আৰু**

৫।  গুৱাহাটীত আজিৰ পৰা দ্বিতীয় খেল মহাৰণৰ ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতা।

০০০০০

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ ৩৩টা সমষ্টিত আজি অনুষ্ঠিত ভোটগ্ৰহণৰ সামৰণি পৰিছে। পৰিষদৰ অন্তৰ্গত কামৰূপ আৰু গোৱালপাৰা জিলাত বিয়লি ৩ বজালৈ ৬২ শতাংশৰো অধিক  ভোটদান হোৱা বুলি ৰাজ্যিক নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

কামৰূপ জিলাৰ অন্তৰ্গত ১৪ টা পৰিষদীয় সমষ্টিত বিয়লি তিনি বজালৈ ৬২ দশমিক ৪ -২ শতাংশ ভোটদান হৈছে। পৰিষদৰ অন্তৰ্গত বোন্দাপাৰা সমষ্টিত সৰ্বাধিক ৭১ দশমিক ৫ - ১ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। একেদৰে বকো সমষ্টিত ৬৫ দশমিক ৪ - ৫, উত্তৰ বনগাঁৱত ৬৬ দশমিক ৩ - ৫, গোৱৰ্ধনত ৬৭ দশমিক ৪ - ৭ আৰু শিলপোতা সমষ্টিত ৬৬ দশমিক ৬ - ৪ শতাংশ ভোটদান হোৱা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

গোৱালপাৰা জিলাত বিয়লি ৩ বজালৈকে ৬২ দশমিক ৪ -৪ শতাংশ ভোটদানৰ তথ্য পোৱা গৈছে। ইয়াৰ ভিতৰত দদান সমষ্টিত সৰ্বাধিক ৭১ দশমিক ৯ - ৪ শতাংশ, দাৰিদুৰিত ৭১ দশমিক ০ - ৭, দ্বাৰকা সমষ্টিত ৬৮ দশমিক ৮ - ১ আৰু বৰদামাল কল্যাণপুৰ সমষ্টিত ৬৭ দশমিক ৪ -৩  শতাংশ ভোটদান হৈছে। গোৱালপাৰা জিলাৰ ৩৬২ টা ভোটগ্ৰহণ কেন্দ্ৰত আজি নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ অনুষ্ঠিত হয়। গোৱালপাৰা জিলাত এই ভোটগ্ৰহণ সন্দৰ্ভত জিলাখনৰ পৰা এয়া আমাৰ সংবাদদাতা ৰছিদুল হুছেইন –

**-বাইট-**

ভোটগ্ৰহণ হোৱা বেলট বাকচসমূহ জিলা আয়ুক্ত কাৰ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰূমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। পৰহিলৈ ৪ এপ্ৰিলত গোৱালপাৰা আৰু আমিনগাঁৱত ভোটগণনা কৰা হ'ব আৰু আবেলিৰ ভাগত ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

অসমত অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। ৩ এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈ মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ১১ মে'ত নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হ'ব। আজি গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত ৰাজ্যিক নিৰ্বাচন আয়ুক্ত আলোক কুমাৰে এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি প্ৰথম পৰ্যায়ত অহা ২ মে'ত উজনি অসম আৰু বৰাক উপত্যকাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত নামনি অসম আৰু মধ্য অসমত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব। ভোটগ্ৰহণৰ বাবে ২৫ হাজাৰ ৭ টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। ১ কোটি ৮০ লাখ ৩৬ হাজাৰ ৬৮২ গৰাকী ভোটদাতাই এই নিৰ্বাচনত ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। নিৰ্বাচনৰ বাবে ১ লাখ ২০ হাজাৰ কৰ্মচাৰী নিয়োগ কৰা হ'ব। অৱশ্যে ষষ্ঠ অনুসূচীৰ এলেকাত এই নিৰ্বাচন নিৰ্বাচন অনুষ্ঠিত নহয়। আঞ্চলিক পঞ্চায়তৰ বাবে প্ৰাৰ্থীৰ সৰ্বাধিক ব্যয় আঢ়ৈ লাখ টকা, জিলা পৰিষদত ১০ লাখ টকা, গাঁও পঞ্চায়তৰ প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীৰ বাবে নিৰ্বাচনী ব্যয় সৰ্বাধিক ব্যয় ২৫ হাজাৰ টকা ধাৰ্য কৰা হৈছে বুলি নিৰ্বাচন আয়ুক্তগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। এই নিৰ্বাচনত ই ভি এমৰ পৰিৱৰ্তে বেলট কাগজ ব্যৱহাৰ কৰা হ'ব বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

**-বাইট-**

পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে ৰাজ্যত নিৰ্বাচনী আৰ্হি আচৰণ বিধি বলৱৎ হৈছে।

০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা চমুকৈ ইছৰ'ৰ নৱনিযুক্ত অধ্যক্ষ ড০ ভি নাৰায়ণনে আজি কামৰূপ জিলাৰ চন্দ্ৰপুৰত নিৰ্মাণ হ'বলগীয়া নেত্ৰা প্ৰকল্পস্থলী পৰিদৰ্শন কৰে। তথ্য আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত ড০ নাৰায়ণনে চন্দ্ৰপুৰত ২০০ বিঘা ভূমিত অসমৰ নিজা কৃত্ৰিম উপগ্ৰহৰ প্ৰকল্পৰ কাম চলিত বৰ্ষৰ ডিচেম্বৰ মাহত আৰম্ভ কৰা হ'ব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। অধ্যক্ষগৰাকীয়ে প্ৰকল্পটোৰ ভিতৰত থকা গছ-গছনি নকটাকৈ পাৰিপাৰ্শ্বিক পৰিৱেশ অটুট ৰাখি প্ৰকল্পৰ কাম আৰম্ভ কৰিবলৈ সংশ্লিষ্ট বিষয়াক আহ্বান জনায়। সাংবাদিকৰ আগত মন্ত্ৰী কেশৱ মহন্তই কয়, যে চলিত বৰ্ষৰ বাজেটত ৰাজ্যৰ এটা নিজা উপগ্ৰহৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। বিত্তীয় বৰ্ষৰ প্ৰথম দিনাৰ পৰা বাজেটৰ কাম আৰম্ভ কৰা হৈছে। এই কৃত্ৰিম উপগ্ৰহ **আছাম ছেট** নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে চন্দ্ৰপুৰৰ ভূমি আৱণ্টন দিছে।

০০০০০

ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ সন্দৰ্ভত লোকসভাত আজি দীঘলীয়া আলোচনা অনুষ্ঠিত হয়। ২০২৪ চনৰ ৮ আগষ্টত ৱক্‌ফ সংশোধনী বিধেয়ক আৰু মুছলমান ৱক্‌ফ বাতিলকৰণ বিধেয়ক ২০২৪ উত্থাপন কৰাৰ পাছত ইয়াক জগদম্বিকা পাল নেতৃত্বাধীন যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰা হৈছিল। যুটীয়া সংসদীয় সমিতিয়ে দাখিল কৰা ইয়াৰ প্ৰতিবেদন যোৱা ১৩ ফেব্ৰুৱাৰীত লোকসভা আৰু ৰাজ্যসভাত দাখিল কৰা হৈছিল।

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি এই বিধেয়কখন উত্থাপন কৰি কয়, যে মুছলমান সকলৰ ধৰ্মীয় বিশ্বাসৰ সৈতে বিধেয়কখনৰ কোনো সম্পৰ্ক নাই আৰু ৱক্‌ফ পৰিষদৰ সা-সম্পত্তিৰ সৈতেহে জড়িত। তেওঁ কয়, যে চৰকাৰে ৱক্‌ফ পৰিষদসমূহক সৰ্বাত্মক আৰু ধৰ্ম নিৰপেক্ষ কৰি তুলিব

খুজিছে। বিধেয়কখনৰ জৰিয়তে মছজিদৰ পৰিচালনা কৰিব খোজা হোৱা নাই বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমানৰ বিধেয়ক অনুসৰি ৱক্ফ পৰিষদৰ বিভিন্ন মুছলীম পন্থা, মহিলা আৰু অনামুছলীম সম্প্ৰদায়ৰ প্ৰতিনিধি থাকিব।

বিধেয়কখনক লৈ বিৰোধী পক্ষই জনসাধাৰণক বিপথে পৰিচালিত কৰা বুলি শ্ৰীৰিজিজুৱে অভিযোগ তোলে। তেওঁ কয় যে ২০১৩ চনত ইউ পি এৰ শাসনকালত ৱক্ফ আইনত সংশোধন কৰা হৈছিল আৰু এই সংশোধনে অন্য আইনসমূহত ব্যাপক প্ৰভাৱ পেলাইছিল। কংগ্ৰেছ শাসনকালত দিল্লীৰ আগশাৰীৰ ঠাইৰ মুঠ ১২৩টা সম্পত্তি দিল্লী ৱক্ফ পৰিষদলৈ হস্তান্তৰ কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰে। শ্ৰীৰিজিজুৱে কয় যে যুটীয়া সংসদীয় কমিটি আৰু চৰকাৰে এই বিধেয়কখন প্ৰস্তুত কৰি উলিওৱাৰ সময়ত সংশ্লিষ্ট পক্ষসমূহৰ সৈতে ব্যাপকভাৱে আলাপ আলোচনা কৰিছিল।

বিতৰ্কত ভাগ লৈ বিৰোধী পক্ষৰ সদস্যসকলে এই বিধেয়কখনে দেশৰ সংবিধানত উল্লেখ কৰা সকলো ধৰ্মৰ সম অধিকাৰৰ ধাৰণাত আঘাত হানিছে বুলি অভিযোগ কৰে আৰু বিধেয়কখনৰ বিৰোধিতা কৰে। লোকসভাত কংগ্ৰেছ উপ-দলপতি গৌৰৱ গগৈয়ে বিধেয়কখনৰ বিৰোধিতা কৰি কয়, যে বৰ্তমানৰ সংশোধনীয়ে সংবিধানক দুৰ্বল কৰিব আৰু সমাজক বিভাজিত কৰাৰ লগতে সমাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিব।

সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱে বিধেয়কখনৰ আঁৰৰ অভিপ্ৰায় ভাল নহয় বুলি অভিযোগ কৰে আৰু দেশখনত বিজেপিয়ে ভোট বিভাজনৰ ৰাজনীতি কৰে বুলি অভিযোগ কৰে। বিতৰ্কত হস্তক্ষেপ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই বিধেয়কখনে পূৰ্বৰ ইউ পি এ চৰকাৰৰ দিনত ৱক্ফ সম্পত্তিৰ নামত ব্যৱসায় হোৱা বুলি মন্তব্য কৰে আৰু সংশোধনীৰ জৰিয়তে কোনো ধৰ্মীয় কাম-কাজত হস্তক্ষেপ কৰাৰ কোনো অভিপ্ৰায় নাই বুলি স্পষ্ট কৰি দিয়ে। এই বাতৰি লিখা পৰলৈকে লোকসভাত বিতৰ্ক অব্যাহত আছে।

০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি যোৰহাটত প্ৰায় ১১১ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও ৰাজহুৱা প্ৰকল্পৰ উদ্বোধন কৰা হয়। মুখ্যমন্ত্ৰীয়ে কমাৰবন্ধা আলিৰ উত্তৰে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ সমীপৰ পৰা মিচন হস্পিটেলৰ প্ৰৱেশদ্বাৰৰ সমীপলৈ নিৰ্মাণ হোৱা ৫৮১ মিটাৰ দৈৰ্ঘ্যৰ ৰে'লৰে উৰণ সেতুখন মুকলি কৰে। ৰাজ্য চৰকাৰ আৰু ভাৰতীয় ৰে'লৱেৰ অংশীদাৰিত্বত ৭৭ কোটি ২৭ লাখ টকা ব্যয়েৰে উৰণ সেঁতুখন নিৰ্মাণ কৰা হৈছে। ডঃ শৰ্মাই আজি যোৰহাটত অত্যাধুনিক সা-সঁজুলি সম্পন্ন স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰটো মুকলি কৰে। এই প্ৰকল্পৰ বাবে ১২ কোটি ৫০ লাখ টকা ব্যয় কৰা হৈছে। এই কেন্দ্ৰটোৱে যোৰহাট, গোলাঘাট আৰু শিৱসাগৰ জিলাৰ জনসাধাৰণক সেৱা প্ৰদান কৰিব। ইয়াৰ দ্বাৰা যান-বাহনৰ মেনুৱেল ফিটনেছ পৰীক্ষাৰ পৰিৱৰ্তে স্বয়ংক্ৰিয় পৰীক্ষা কাৰ্যকৰী হ'ব। ইয়াৰ ফলত যান-বাহনৰ গৰাকীয়ে জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়লৈ গৈ বাহন পৰীক্ষা কৰোৱাৰ আৱশ্যকতা নাথাকিব। যোৱা ৩১ মাৰ্চত মুখ্যমন্ত্ৰীয়ে বিশ্বনাথত ১৫ কোটি ৫৭ লাখ টকা ব্যয়সাপেক্ষ এনেধৰণৰ কেন্দ্ৰ এটা মুকলি কৰিছে। যোৰহাটৰ চিনামৰাত মুখ্যমন্ত্ৰীয়ে ১৯ কোটি ৯৮ লাখ টকা ব্যয়েৰে ৰাজ্য চৰকাৰে নিৰ্মাণ কাৰ সন্মিলন কক্ষটো উদ্বোধন কৰে। ১২০ খন আসনযুক্ত এই কেন্দ্ৰটো মুকলি কৰাৰ ফলত যোৰহাটবাসীয়ে বিভিন্ন অনুষ্ঠানৰ আয়োজনত সুবিধা লাভ কৰিব। ৩ হাজাৰ ১১৮ বৰ্গ কিলোমিটাৰ ভূমি সামৰি নিৰ্মিত এই কেন্দ্ৰটোত এটা কাৰ্যবাহী কক্ষ, এটা মিডিয়া কক্ষ, এটা ভোজন কক্ষকে ধৰি ভালেমান সুবিধা ৰখা হৈছে। এই সন্মিলন কক্ষ মুকলি কৰি মুখ্যমন্ত্ৰীয়ে প্ৰায় ১৮০ কোটি টকা ব্যয়েৰে নিৰ্মীয়মান স্বাধীনতা সংগ্ৰামৰ সংগ্ৰহালয় আৰু উদ্যানৰ কাম অহা বছৰৰ জানুৱাৰীত সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰে।

**-বাইট-**

তদুপৰি ভোগদৈ দলং সংযোগী উৰণ সেতুৰ নিৰ্মাণৰ কামো অহা বছৰৰ মাৰ্চৰ আগেয়ে সম্পূৰ্ণ হৈ উঠিব বুলি তেওঁ কয়। যোৰহাট আৰু গোলাঘাট জিলা সামৰি ৰূপায়ণ কৰা কেইবাটাও প্ৰকল্প সম্পূৰ্ণ হোৱা পথত আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। নগাঁও, বিশ্বনাথ, শোণিতপুৰ আৰু যোৰহাট জিলা ভ্ৰমণ সামৰি গুৱাহাটীলৈ ওভতা মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণকালত ৩৫৬ কোটি টকাতকৈও অধিক ব্যয়সাপেক্ষ কল্যাণমূলক প্ৰকল্প ৰাইজলৈ উৎসৰ্গা কৰা বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০০

ৰাজ্যজুৰি স্বাস্থ্যসেৱা সুলভ আৰু ইয়াৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে অসম মন্ত্ৰীসভাত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত জিলা স্বাস্থ্য সমিতিসমূহৰ উদ্যোগত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। **শোণিতপুৰ** জিলাৰ ঢেকীয়াজুলিৰ চিতলমাৰীত বিভাগীয় মন্ত্ৰী অশোক সিংহলে এই শিবিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। সুস্থ সমাজ, স্বাস্থ্যৱান অসম গঠনৰ লক্ষ্যৰে অনুষ্ঠিত এই শিবিৰত জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষক, স্বাস্থ্য বিভাগৰ উচ্চ পদস্থ বিষয়া, চিকিৎসক, আশাকৰ্মী আদিৰ লগতে বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। শিবিৰত বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা মাতৃ আৰু শিশুৰ স্বাস্থ্য পৰীক্ষা, উচ্চ ৰক্তচাপ, মধুমেহ, মানসিক স্বাস্থ্য পৰীক্ষা, যক্ষ্মা, কুষ্ঠ, মেলেৰীয়া, চিকল ছেল ৰোগ, চকু-নাক-কাণ, দাঁত আদিৰ পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া ঔষধ তথা পৰামৰ্শ প্ৰদান কৰা হয়। **বজালী** জিলাতো জিলা আয়ুক্ত মৃদুল কুমাৰ দাসে পঞ্চায়ত পৰ্যায়ত অনুষ্ঠিত স্বাস্থ্য আৰু কল্যাণ শিবিৰ উদ্বোধন কৰে। **পাঠশালাৰ** উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই শিবিৰত অঞ্চলটোৰ ৰাইজৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে স্বাস্থ্য সন্দৰ্ভত জনসচেতনতা বৃদ্ধিৰ বাবে স্বাস্থ্য মেলা অনুষ্ঠিত কৰা হয়। **তামুলপুৰ** জিলাৰ কুমাৰীকাটাত জিলা যুটীয়া স্বাস্থ্য সঞ্চালকালয়ৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত দিনজোৱা কাৰ্যসূচীৰে আজি স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে উদ্বোধন কৰা এই শিবিৰত প্ৰায় ৫ শতাধিক লোকে চিকিৎসকৰ পৰামৰ্শ তথা স্বাস্থ্যসেৱা গ্ৰহণ কৰে। অনুষ্ঠানত আয়ুষ্মান ভাৰত কাৰ্ড, যোগাসন, ধ্যান আৰু পুষ্টি সন্দৰ্ভত আলোচনা কৰা হয়। বিধায়ক জলেন দৈমাৰী, জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীকে ধৰি অঞ্চলটোৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি শিবিৰত উপস্থিত থাকে। **দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ হাজিৰহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত স্বাস্থ্য আৰু কল্যাণ শিবিৰ আজি জিলাখনৰ আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই মুকলি কৰে। এই শিবিৰত গ্ৰামাঞ্চলত থকা ৰোগীসকলক চিনাক্ত কৰি বিনামূলীয়া ঔষধৰ লগতে স্বাস্থ্য বিষয়ক পৰামৰ্শ প্ৰদান কৰা হয়। **বৰপেটা** জিলাতো জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কেওঁটকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত স্বাস্থ্য মেলা উদ্বোধন কৰে। **ধুবুৰী** জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত স্বাস্থ্য আৰু কল্যাণ শিবিৰত বিশেষজ্ঞ চিকিৎসকৰ উপস্থিতিত চিকিৎসা প্ৰদান, বিনামূলীয়া ঔষধ যোগান আৰু সচেতনতামূলক সভা অনুষ্ঠিত হয়।

০০০০০

ৰাজ্যৰ ১১ খন জিলাৰ ২০০ খন নিম্ন প্ৰাথমিক বিদ্যালয়ত আজি মিছিং ভাষাত পাঠদান আৰম্ভ হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ধেমাজিৰ ৰায়চাপৰি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু মিছিং সাহিত্য সভাই এই ক্ষেত্ৰত লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ শলাগ লয়। উল্লেখযোগ্য যে চৰকাৰে মিছিং, তিৱা, দেউৰী, ৰাভা, ডিমাছা আৰু

কাৰ্বিকে ধৰি ছটা জনগোষ্ঠীয় ভাষাত প্ৰাথমিক পৰ্যায়ত পাঠদানৰ সিদ্ধান্ত লৈছে। মন্ত্ৰীগৰাকীয়ে চৰকাৰৰ এই পদক্ষেপৰ ফলত সকলো স্থানীয় ভাষা উজ্জীৱিত হ'ব বুলি আশা ব্যক্ত কৰে।

০০০০০

কামৰূপ জিলাৰ হালধাত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি এটা মথাউৰিৰ আধাৰশিলা স্থাপন কৰে। কামৰূপ-দৰং সীমান্তৱৰ্তী অঞ্চলৰ বৰনদীৰ সমীপত থকা হালধাৰ পৰা বনিয়াচুবালৈ ৪ কোটি ৭৫ লাখ টকা ব্যয়েৰে মথাউৰিটো নিৰ্মাণ কৰা হ'ব। জলসম্পদ বিভাগৰ কামৰূপ জিলা সংমণ্ডলৰ অধীনত নিৰ্মাণ হ'বলগীয়া মথাউৰিটো বাৰিষাৰ পূৰ্বে সম্পূৰ্ণ কৰাৰ চেষ্টা কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়ে।

০০০০০

খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতা আজিৰ পৰা গুৱাহাটীত আয়োজন কৰা হৈছে। সৰুসজাই ক্ৰীড়া প্ৰকল্পত আজি সন্ধিয়া আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত জিলা পৰ্যায়ত অনুষ্ঠিত খেলসমূহত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত খেলুৱৈসকলে ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতাৰ একাধিক শাখাত অংশগ্ৰহণ কৰিব। সৰুসজাই ক্ৰীড়া প্ৰকল্প, নেহৰু ষ্টেডিয়াম, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চৌহদ আৰু সোণাপুৰৰ এল এন ই পিত প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। ডাঃ জাকিৰ হুছেইন একুৱাটিক কমপ্লেক্সত সাঁতোৰ, তেতেলীয়াৰ চাকনিবাৰী খাটত চাইক্লিং প্ৰতিযোগিতা হ'ব। মুঠ ৭ হাজাৰ ৯৮ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিবলগীয়া এই প্ৰতিযোগিতাৰ অহা ৬ এপ্ৰিলত সামৰণি পৰিব। অংশগ্ৰহণকাৰীসকলে dsyw assam.com/khel-ত লগ ইন কৰি তেওঁলোকৰ পঞ্জীয়ন নম্বৰ বা নাম পূৰণ কৰি পি এম অ'ৰ দ্বাৰা অনুমোদিত অংশগ্ৰহণৰ প্ৰমাণপত্ৰ ডাউনলোড কৰিব পাৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰু এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু - গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত বৰপেটাত অনুষ্ঠিত ১৪ বছৰ অনুৰ্ধ পুলিন দাস আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ নামনি অসম মণ্ডলৰ এখন খেলত আজি বৰপেটাই চিৰাঙক ১০৩ ৰানত পৰাজিত কৰে। ৪০ অ'ভাৰৰ খেলখনত বৰপেটা দলে প্ৰথমে বেট ধৰি ২৮ অ'ভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৮৭ ৰান সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত চিৰাং জিলা দলে ২৭ অ'ভাৰ তিনিটা বলতে আটাইকেইটা উইকেট হেৰুৱাই ৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

সমাপ্ত